**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-APR-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। বৰষুণৰ ফলত সৃষ্টি হোৱা জটিল পৰিস্থিতিৰে মুখামুখি হোৱাৰ বাবে সংশ্লিষ্ট বিভাগক ২৪ ঘণ্টাই সাজু হৈ থাকিবলৈ ৰাজ্যৰ মুখ্য সচিব ড° ৰবি কোটাৰ নিৰ্দেশ।

২। নেচনেল টেষ্টিং এজেন্সিয়ে অনুষ্ঠিত কৰা জে ই ই, ২০২৬-ৰ চূড়ান্ত ফলাফল ঘোষণা।

৩। পশ্চিমবংগত পৰহিলৈ হ'বলগীয়া প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে প্ৰচাৰ অভিযানৰ আজি সামৰণি।

৪। দেশজুৰি আজি অসামৰিক সেৱা দিৱস পালন। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছৰ বিৰুদ্ধে মুম্বাই ইণ্ডিয়ানছৰ ৯৯ ৰানত জয়লাভ।

000000

ৰাজ্যৰ মুখ্য সচিব ড° ৰবি কোটাই কালি গুৱাহাটীৰ বান পৰিস্থিতিৰ সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অংশ লয়। মহানগৰীৰ ভালেমান অঞ্চলত ১২২ মিলিমিটাৰ পৰ্যন্ত বৰষুণ হোৱাৰ ফলত কিছু অঞ্চল এতিয়াও জলমগ্ন হৈ আছে। পৰ্যালোচনা বৈঠকত ৰাজ্যৰ মুখ্য সচিবগৰাকীয়ে ভাৰতীয় বতৰ বিজ্ঞান বিভাগ, অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ আৰু জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণক সময়ে সময়ে আগলি বতৰা জনসাধাৰণক অৱগত কৰিবলৈ নিৰ্দেশ দিয়ে। জনসাধাৰণে আগতীয়াকৈ সাৱধানতা অৱলম্বন কৰিব পৰাৰ সুবিধা হোৱাকৈ ৰাজ্যৰ মুখ্য সচিবগৰাকীয়ে এই বিভাগকেইটাক এই নিৰ্দেশ দিয়ে। ইয়াৰ উপৰি ৰাষ্ট্ৰীয় ঘাইপথ কৰ্তৃপক্ষক জলমগ্ন হোৱা ৰাষ্ট্ৰীয় ঘাইপথৰ অঞ্চলসমূহৰ নলা নৰ্দমাসমূহ সময়মতে পৰিষ্কাৰ কৰিবলৈ নিৰ্দেশ দিয়াৰ লগতে বৰষুণৰ ফলত সৃষ্টি হোৱা জটিল পৰিস্থিতিৰে মুখামুখি হোৱাৰ বাবে গুৱাহাটী পৌৰ নিগম, গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষ আৰু জলসম্পদ বিভাগক ২৪ ঘণ্টাই সাজু হৈ থাকিবলৈ নিৰ্দেশ দিয়ে। মুখ্যসচিবগৰাকীয়ে লগতে লোক নিৰ্মাণ বিভাগক জলমগ্ন ঠাইসমূহৰ নৰ্দমাসমূহ পৰিষ্কাৰ হৈ থকাটো নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। বৈঠকত তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ মহানগৰৰ সকলো নলা-নৰ্দমা নিৰ্ধাৰিত সময়ৰ ভিতৰত পৰিষ্কাৰ কৰিবলৈ নিৰ্দেশ দিয়া হয়। পৰ্যালোচনা বৈঠকত ৰাজ্যৰ মুখ্য সচিবগৰাকীয়ে মালিগাঁৱৰ মেনহলত পৰি মৃত্যু হোৱা মহিলাগৰাকীৰ বাবে ন্যায়িক তদন্ত ঘোষণা কৰে। মুখ্যসচিবগৰাকীয়ে লগতে মহানগৰীৰ অঞ্চলসমূহত স্বাভাৱিক জীৱন যাত্ৰা ঘুৰাই অনাৰ বাবে সংশ্লিষ্ট বিভাগসমূহক তাৎক্ষণিকভাৱে কাম কৰিবলৈ নিৰ্দেশ দিয়ে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে জাৰি কৰা আগলি বতৰা অনুসৰি সকলো বিভাগ তথা কৰ্তৃপক্ষক বান সদৃশ পৰিস্থিতিৰ মোকাবিলা কৰাৰ বাবে সতৰ্ক হৈ থাকিবলৈ নিৰ্দেশ দিয়া হৈছে। একেখন বৈঠকতে বিগত বৰ্ষত সংঘটিত হোৱা ভূমিস্খলনৰ ঘটনাৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনক মহানগৰীৰ স্পৰ্শকাতৰ অঞ্চলসমূহত অধিক সতৰ্কতা অৱলম্বন কৰিবলৈ আৰু সকলোধৰণৰ সহযোগিতামূলক সঁহাৰি তথা প্ৰশমনমূলক আৰু সাহায্যৰ ব্যৱস্থা নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

000000

নেচনেল টেষ্টিং এজেন্সিয়ে অনুষ্ঠিত কৰা জে ই ই, ২০২৬-ৰ চূড়ান্ত ফলাফল ঘোষণা কৰা হৈছে। এই ফলাফল অনুসৰি ২৬ গৰাকী শিক্ষাৰ্থীয়ে ১০০ পাৰ্চেণ্টাইল লাভ কৰিবলৈ সমৰ্থ হৈছে। অসমৰ যশপাল সিঙে ৯৯

দশমিক ৯ - ৮ পাৰ্চেণ্টটাইলেৰে ৰাজ্যিকভিত্তিত শীৰ্ষস্থান দখল কৰিছে। পৰীক্ষাত অৱতীৰ্ণ শিক্ষাৰ্থীসকলৰ বাবে এন টি এ আৰু এন টি এ জে ই ই এডভাঞ্চ ২০২৬ৰ বাবে কাট অফ নম্বৰো ঘোষণা কৰিছে। সাধাৰণ শ্ৰেণীৰ বাবে কাট অফ নম্বৰ ১০০ৰ পৰা ৯৩ দশমিক ৪ - ১ - ২ পাৰ্চেণ্টাইলৰ ভিতৰত ঘোষণা কৰা হৈছে। শিক্ষাৰ্থীসকলে এন টি এৰ চৰকাৰী ৱেবছাইটৰ জৰিয়তে ফলাফলসমূহ বিতংকৈ চাব পাৰিব। উল্লেখযোগ্য যে জে ই ই২০২৬-২০২৭ শিক্ষাবৰ্ষৰ বাবে দুটা ছেচনত অনুষ্ঠিত হৈছিল। প্ৰথম ছেচন জানুৱাৰীত আৰু দ্বিতীয় ছে চন এপ্ৰিলত অনুষ্ঠিত হৈছিল। এইবাৰৰ পৰীক্ষা সম্পূৰ্ণৰূপে কম্পিউটাৰভিত্তিক পৰীক্ষা পদ্ধতিৰে অনুষ্ঠিত হৈছিল।

০০০০০০

পশ্চিমবংগত পৰহিলৈ হ'বলগীয়া প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ প্ৰচাৰ অভিযানৰ আজি অন্ত পৰিব। ভোটগ্ৰহণলৈ মাজত মাত্ৰ এটা দিন বাকী থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলৰ জ্যেষ্ঠ নেতাসকলে ৰাজ্যখনৰ ভিন ভিন প্ৰান্তত নিৰ্বাচনী সমাৰেশ তথা ৰোড শ্ব'ত অংশ লৈ দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাইছে।

বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি শিলিগুৰি, পশ্চিম বৰ্ধমান, পশ্চিম মেদিনীপুৰ আৰু পূব মেদিনীপুৰ জিলাত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব। ইফালে তৃণমূল কংগ্ৰেছৰ নেত্ৰী আৰু পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে আজি পূব মেদিনীপুৰ, বাৰাকপোৰ, ছৌবিবশ পৰগনা জিলাৰ জগতদল আৰু কলকাতাৰ জোৰাসাকো দলৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণ দিব। আজিৰ সভাত আন্যান্য বিভিন্ন দলৰ ৰাজনৈতিক নেতাসকলেও অংশগ্ৰহণ কৰিব।

উল্লেখযোগ্য যে নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত ৩ কোটি ৬০ লাখ ৭৭ হাজাৰ ১৭১ গৰাকী ভোটদাতাই তেওঁলোকৰ ভোটৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিব।

০০০০০০

আজি অসামৰিক সেৱা দিৱস। দেশৰ প্ৰশাসন কাৰ্যক সুচাৰুৰূপে পৰিচালনা কৰা চৰকাৰী বিষয়াসকলৰ কৰ্মৰাজিক সন্মান জনাবলৈ প্ৰতিবছৰে ২১ এপ্ৰিলৰ দিনটো অসামৰিক সেৱা দিৱস পালন কৰি অহা হৈছে। ১৯৪৭ চনৰ আজিৰ দিনটোতে স্বাধীন ভাৰতৰ প্ৰথমগৰাকী গৃহমন্ত্ৰী চৰ্দাৰ বল্লভ ভাই পেটেলে দিল্লীৰ মেটকাফ হাউচত প্ৰশাসনিক বিষয়াসকলক সম্বোধন কৰিছিল। সেই দিনটোক স্মৰণ কৰিয়েই ২০০৬ চনৰ পৰা প্ৰতি বছৰে এই দিৱস পালন কৰি অহা হৈছে। এই বছৰৰ এই দিৱসৰ মূল বিষয় হৈছে- **বিকশিত ভাৰত ঃ নাগৰিক কেন্দ্ৰীক প্ৰশাসন আৰু প্ৰান্তীয় অঞ্চলত বাস কৰা লোকৰ উন্নয়ন সাধন**।

অসামৰিক সেৱা দিৱস উপলক্ষে আজি গুৱাহাটীৰ খানাপাৰাৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত দিনৰ ১১ বজাত এটা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ৰাজ্য চৰকাৰৰ মুখ্য সচিব ড০ ৰবি কোটা এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

ইপিনে অষ্টাদশ অসামৰিক সেৱা দিৱস উপলক্ষে উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে আজি নতুন দিল্লীত এখন সভাত ভাষণ দিব। এই অনুষ্ঠানটো কৰ্মচাৰী, ৰাজহুৱা অভিযোগ আৰু পেন্সন মন্ত্ৰালয়ৰ অধীনৰ প্ৰশাসনিক সংস্কাৰ আৰু ৰাজহুৱা অভিযোগ বিভাগে আয়োজন কৰিব। কৰ্মচাৰী, ৰাজহুৱা অভিযোগ আৰু পেন্সন মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী ড০ জিতেন্দ্ৰ সিং, লঘু, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ মন্ত্ৰী জিতন ৰাম মাঝি, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জগত প্ৰকাশ নাড্ডা, কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানেও এই অনুষ্ঠানত বক্তৃতা দিব।

০০০০০০

ডিব্ৰুগড়ৰ চৌকিদিঙীত থকা ডিব্ৰুগড় সাহিত্য সভাৰ লক্ষ্মীনাথ বেজবৰুৱা ভৱনত কালি অসম ৰে'লযাত্ৰী সংস্থাৰ এখন বৈঠক অনুষ্ঠিত হয়। অসম ৰে'লযাত্ৰী সংস্থাৰ সম্পাদক দীপাংকৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এই সভাখনৰ উদ্দেশ্য আৰু গুৰুত্ব সম্পৰ্কে ব্যক্ত কৰে আহ্বায়ক ৰাজীৱ লোচন বৰঠাকুৰে। সভাখনত ডিব্ৰুগড়, তিনিচুকীয়া, লখিমপুৰ আৰু ধেমাজিৰ বহুসংখ্যক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। সভাখনত বৰ্তমান অসম তথা উজনি

অসমৰ ৰে'ল সেৱা উন্নত কৰা, খৰতকীয়া ৰে'লসেৱাৰে সাধাৰণ জনতাৰ যাতায়াত ব্যৱস্থা অধিক উন্নত কৰি তোলাৰ লগতে যাত্ৰীবাহী আৰু দূৰণিবতীয়া ৰে'লৰ চলাচল বৃদ্ধি কৰাৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰা হয়। বৈঠকখন সন্দৰ্ভত অধিক জনাইছে অসম ৰে'লযাত্ৰী সংস্থাৰ আহ্বায়ক ৰাজীৱ লোচন বৰঠাকুৰে –

বাইট

০০০০০০

গোৱালপাৰা জিলাৰ ভিন্ন স্থানত যোৱানিশা হোৱা ধুমুহা-বতাহে বিস্তৰ ক্ষতি কৰে। বিভিন্ন ঠাইত গছ বাগৰি পৰাত গোৱালপাৰা চহৰৰ লগতে আন কিছুমান অঞ্চলত বিদ্যুৎ সেৱা ব্যাহত হৈ আছে। বৰষুণৰ ফলত লক্ষীপুৰ নগৰৰ কিছু কিছু অঞ্চলত পানী জমা হৈ কৃত্ৰিম বানৰ সৃষ্টি কৰিছে।

০০০০০০

ৰাজ্যত পুৱাৰ ভাগত মৃদু ভূমিকম্পৰ জোঁকাৰণি অনুভূত হয়। পুৱা পাঁচ বাজি ৫৯ মিনিটত অনুভূত হোৱা ভূমিকম্পৰ প্ৰাবল্য ৰিখটাৰ স্কেলত ৫ দশমিক ২। মণিপুৰৰ কামজঙত ভূমিকম্পৰ অভিকেন্দ্ৰ। বৰ্তমানলৈকে ক্ষয়-ক্ষতিৰ তথ্য জানিব পৰা হোৱা নাই।

০০০০০০

কামৰূপ জিলাৰ ৰামদিয়াত তিনিদিনীয়াকৈ আয়োজন কৰা ভঠেলী উৎসৱৰ আজি সামৰণি পৰিব। ৪০০ বছৰীয়া পৰম্পৰাৰ ঐতিহ্য ৰক্ষা কৰি যোৱা ৫ ব'হাগৰ পৰা আৰম্ভ হোৱা এই ভঠেলী উৎসৱলৈ বৃহত্তৰ ৰামদিয়া অঞ্চলৰ ১৮ খন সত্ৰৰ গোসাঁইৰ বিগ্ৰহ লৈ অহা হয়। তাৰ পাছত ভক্তিপ্ৰাণ ৰাইজে গোসাঁইক সেৱা জনাই সমাজৰ মংগল কামনা কৰে। এই সন্দৰ্ভত আমাক সবিশেষ জনাইছে কামৰূপৰ সংবাদদাতা কৌশিক দাসে—

**ভইচকাষ্ট (কৌশিক দাস)**

ভঠেলী উৎসৱৰ সৈতে সংগতি ৰাখি এখন কৃষিমেলাও অনুষ্ঠিত হৈছে। এই মেলাত স্থানীয় কৃষকসকলে নিজৰ উৎপাদিত সামগ্ৰীসমূহৰ লগতে বাঁহ-বেতৰ পৰা প্ৰস্তুত কৰা বিভিন্ন সামগ্ৰীও বিক্ৰীৰ বাবে বিপণীসমূহ ভৰি পৰিছে।

০০০০০০

পশ্চিম এছিয়াত অব্যাহত থকা সংঘৰ্ষজৰ্জৰ পৰিস্থিতিৰ মাজতো দেশত ঘৰুৱা ৰন্ধন গেছৰ যোগান সুস্থিৰ হৈ আছে আৰু বিতৰকসকলে সুকলমে ৰন্ধন গেছৰ বিতৰণ অব্যাহত ৰাখিছে বুলি পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ সচিব সুজাতা শৰ্মাই প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি সংবাদমেলত মন্ত্ৰীগৰাকীয়ে লগতে কয় যে চৰকাৰে ঘৰুৱা ৰন্ধন গেছৰ উৎপাদন বৃদ্ধিৰ বাবে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰি আছে। বিতৰণ প্ৰমাণিকৰণ কোডৰ সহায়ত চৰকাৰে ৯২ শতাংশ ঘৰুৱা ৰন্ধন গেছৰ বিতৰণ কৰাৰ লগতে বাণিজ্যিক ৰন্ধন গেছৰ বিতৰণো ৭০ শতাংশলৈ বৃদ্ধি হৈছে বুলি তেওঁ প্ৰকাশ কৰে।

০০০০০০

ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ চমুকৈ আই পি এল জুৱাৰ সৈতে জড়িত থকাৰ অভিযোগত ফটাশিল আমবাৰী আৰক্ষীয়ে কালি নিশা মহানগৰীৰ ধীৰেণপাৰাত অভিযান চলাই তিনিজন লোকক আটক কৰিছে। ধৃত লোককেইজন হৈছে – ধীৰেণপাৰাৰ মনজিৎ সূত্ৰধাৰ, বৰ্ষাপাৰাৰ অৰ্পণ চৌধুৰী আৰু কালাপাহাৰ কলনি বজাৰৰ দেৱজিৎ দেৱ। ধীৰেণপাৰাৰ আছাম ইলেক্ট্ৰনিক্‌ছ নামৰ এখন দোকানত অভিযান চলাই আৰক্ষীয়ে তিনিওকে আটক কৰাৰ লগতে তিনিটা ম'বাইল ফোন আৰু এটা লেপটপ জব্দ কৰে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে গুজৰাট টাইটানছক ৯৯ ৰানত পৰাস্ত কৰে। প্ৰথমে বেটিং কৰি মুম্বাই ইণ্ডিয়ানছে পাঁচটা উইকেটৰ

বিনিময়ত ১৯৯ সংগ্ৰহ কৰে।  ৪৫টা বলত তিলক বাৰ্মাই অপৰাজিত ১০০ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত গুজৰাট টাইটানছে ১৫ অভাৰ ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১০০ ৰানহে কৰিবলৈ সমৰ্থ হয়। তিলক বাৰ্মাক প্লেয়াৰ অব দ্যা মেচ ঘোষণা কৰা হয়।

আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ, দেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত অনুষ্ঠিত হ'ব।

০০০০০০

সুদীৰ্ঘ ৮ বছৰৰ আইনী বিচাৰৰ অন্ত, অভি-নীল হত্যাকাণ্ডৰ চূড়ান্ত ৰায়দান নগাঁও জিলা সত্ৰ ন্যায়াধীশৰ আদালতৰ, ২০ জনক দোষী সাব্যস্ত-২৪ এপ্ৰিলত শাস্তি ঘোষণা, কৃত্ৰিম বানত গুৱাহাটীৰ চৌদিশে হাহাকাৰ, জলবন্দী মহানগৰীত মহিলাৰ কৰুণ মৃত্যু, বহু সম্পত্তি হানি, আৰু তিনিদিনলৈ বৃষ্টিপাতৰ পূৰ্বাভাস, ক্ৰমাৎ শান্ত ৰুণীখাতাৰ পৰিস্থিতি, তিনিদিনৰ পাছত ঘোষণা কৰি তদন্ত, চেৰা বহু উদযাপনেৰে ৰাজ্যবাসীয়ে সামৰিলে প্ৰাণৰ ৰঙালী আদি বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহত ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে।

দীৰ্ঘদিনীয়া উৎকণ্ঠাৰ অন্ত পেলাই ৰাজ্য কঁপোৱা অভি-নীল হত্যা গোচৰৰ কালি আদালতে চূড়ান্ত ৰায়দান কৰি ২০ জনক দোষী সাব্যস্ত কৰাৰ বাতৰিটো দৈনিক অসম কাকতে ৮ বছৰৰ পাছত অভি-নীল কাণ্ডৰ চূড়ান্ত ৰায়, ২০ জনক দোষী সাব্যস্ত শিৰোনামেৰে প্ৰকাশ কৰিছে। একেটা বাতৰিকে অসমীয়া প্ৰতিদিন, দি আছাম ট্ৰিবিউন, দা ছেণ্টিনেল, নিয়মীয়া বাৰ্তা, দৈনিক জনমভূমি, দৈনিক অগ্ৰদূত, অসমীয়া খবৰ কাকতে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অকল্পনীয় বৃষ্টিপাতত স্তব্ধ মহানগৰ, নলাত পৰি এগৰাকী মহিলাৰ কৰুণ মৃত্যু হোৱাৰ বাতৰিটো আজি প্ৰকাশিত অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰিকে আমাৰ অসম কাকতে মুষলধাৰ বৰষুণত স্তব্ধ হৈ পৰিল স্মাৰ্ট চিটী, নাগৰিকৰ অবৰ্ণনীয় দুৰৱস্থাৰ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

জুবিন হত্যা গোচৰ, এইবাৰ ফাষ্টট্ৰেক আদালতত শ্যামকানুৰ পাছত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদন শিৰোনামৰ এটা বাতৰি অসমীয়া প্ৰতিদিন আৰু দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ইৰানৰ জাহাজ অৱৰোধ কৰাৰ পাছতে পৰিস্থিতিৰ অৱনতি, আমেৰিকাৰ আচৰণত অসন্তুষ্ট তেহৰান, অনিশ্চয়তাত ইছলামাবাদৰ শান্তি-আলোচনা শীৰ্ষক বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠানত স্থান দিছে।

চেৰা বিহু উদযাপনেৰে ৰাজ্যবাসীয়ে বসন্তৰ বৰষাৰ মাজতে সামৰিলে প্ৰাণৰ ৰঙালী শিৰোনামৰ বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩০ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২১ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**